পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

# অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 78 দিশপুৰ, সোমবাৰ, 23 ফেব্ৰুৱাৰী, 2026, 4 ফাগুণ, 1947 (শক)

No. 78 Dispur, Monday, 23rd February, 2026, 4th Phalguna, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

DEPARTMENT OF PERSONNEL ::: PERSONNEL (B)

## EXECUTIVE ORDER

The 17th February, 2026

**eCF No. ABP.674664/81.-**

**Sub : Reservation of 1 (one) post to Chutia community each in ACS Junior Grade and APS Junior Grade recruitment within the OBC quota for the next five Combined Competitive Examinations.**

The Chutia community of Assam, notified as OBC vide Personnel Department's O.M. No. ABP. 338/83/14, dated 04/01/1984, is one of the most backward and marginalized communities in Assam. Although this community has made considerable contribution to the socio-economic development of the state, yet compared to other communities they are inadequately represented in the Assam Civil Service and Assam Police Service and are unable to take advantage of the reservation for OBC in these services.

In view of the above and after due consideration, the State Government has decided for providing with reservation of 1(one) post to Chutia community of Assam each in ACS Junior Grade and APS Junior Grade recruitment for the next five Combined Competitive Examinations to be conducted by the APSC within the existing 27% quota for OBC/MOBC communities, towards adequate representation of these communities in the Assam Civil Service and the Assam Police Service. The decision of the State Government is an affirmative action for upliftment of Chutia community as per provisions of the Article 16 of the Constitution of India and the matter of reservation for Chutia community within the OBC quota needs to be looked into in that context.

While making recruitment to ACS Junior Grade and APS Junior Grade for the next five Combined Competitive Examinations to be conducted by the APSC with effect from the date of issue of this Executive Order, 1 (one) post of ACS Junior Grade and 1 (one) post of APS Junior Grade shall be reserved each for the Chutia community amongst the posts to be reserved for, OBC/MOBC communities. The remaining posts will continue to be reserved for other OBC/MOBC communities notified in the Personnel Department's O.M. No. ABP. 338/83/14 dated 04/01/1984, while maintaining the overall 27% reservation for OBC/MOBC communities.

The reservation for Chutia community shall be subject to the condition that there are at least 4 (four) notified vacancies for OBC/MOBC in ACS Junior Grade and APS Junior Grade each in the Combined Competitive Examination. In case there are less than 4 (four) vacancies in either ACS Junior Grade or APS Junior Grade, the reservation shall be effected in the succeeding Combined Competitive Examination till the cycle of five Combined Competitive Examinations is over pertaining to the reservation for Chutia community.

A person belonging to the Chutia community cannot be denied the right to compete for appointment against an unreserved vacancy. Persons belonging to the Chutia community who are selected on the basis of merit and not on account of reservation are not to be counted towards the quota reserved for the Chutia community. However, if a person belonging to the Chutia community has been selected against the 27% reservation for OBC/MOBC communities; such candidate shall be counted towards the quota for the Chutia community.

Provided that if any vacancy reserved for Chutia community could not be filled up due to non-availability of eligible Chutia community candidate, such vacancies shall be filled up by candidates belonging to OBC/MOBC category other than Chutia community. The reservation for Chutia community will then be effected in the succeeding Combined Competitive Examination till the cycle of five Combined Competitive Junior Examinations is over pertaining to their reservation in ACS Junior Grade and APS Grade.

These instructions shall come into force with immediate effect.

**M S MANIVANNAN,**
Commissioner & Secretary to the Government of Assam,
Personnel Department.

**ৰাজ্যপালৰ আদেশ মৰ্মে**
**কৰ্মচাৰী (খ) বিভাগ**
**অসম সচিবালয় (অসামৰিক), দিছপুৰ, গুৱাহাটী-৬**

**কাৰ্য্যবাহী আদেশ**

**দিনাংক ১৭ ফেব্ৰুৱাৰী, ২০২৬**

ই চিএফ নং-এবিপি. ৬৭৪৬৬৪/৮১.-

**বিষয়: অন্যান্য পিছপৰা শ্ৰেণী (OBC) ৰ সংৰক্ষিত আসন (Quota)ৰ অধীনত পৰৱৰ্তী ৫ (পাঁচ)টা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে অসম অসামৰিক সেৱা (ACS) কনিষ্ঠ বৰ্গ আৰু অসম আৰক্ষী সেৱা (APS) কনিষ্ঠ বৰ্গৰ নিযুক্তিৰ প্ৰতিটোতে চুতীয়া সম্প্ৰদায়ৰ বাবে ১ (এক)টা পদ সংৰক্ষণ।**

অসমৰ চুতীয়া সম্প্ৰদায়ক, কৰ্মচাৰী বিভাগৰ অ'.এম. নং এবিপি. ৩৩৮/৮৩/১৪, তাৰিখ ০৪/০১/১৯৮৪ ৰ দ্বাৰা অন্যান্য পিছপৰা শ্ৰেণী (OBC) হিচাবে অধিসূচিত কৰা হৈছে। এই সম্প্ৰদায়টো অসমৰ অতি পিছপৰা আৰু প্ৰান্তীয় সম্প্ৰদায়সমূহৰ অন্যতম । যদিও এই সম্প্ৰদায়ে ৰাজ্যৰ আৰ্থ-সামাজিক বিকাশত যথেষ্ট অৰিহণা যোগাইছে , তথাপিও অন্যান্য সম্প্ৰদায়ৰ তুলনাত অসম অসামৰিক সেৱা আৰু অসম আৰক্ষী সেৱাত তেওঁলোকৰ প্ৰতিনিধিত্ব যথেষ্ট কম আৰু এই সেৱাসমূহত অন্যান্য পিছপৰা শ্ৰেণী (OBC)ৰ বাবে থকা সংৰক্ষণৰ সুবিধা ল'বলৈ সক্ষম হোৱা নাই।

উল্লিখিত বিষয়সমূহৰ প্ৰতি লক্ষ্য ৰাখি আৰু উচিত বিবেচনাৰ অন্তত, ৰাজ্য চৰকাৰে অসম লোক সেৱা আয়োগ (APSC) ৰ দ্বাৰা পৰিচালিত হ'বলগীয়া পৰৱৰ্তী ৫ (পাঁচ)টা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে অন্যান্য পিছপৰা শ্ৰেণী (OBC)/অন্যান্য অতি পিছপৰা শ্ৰেণী (MOBC) সম্প্ৰদায়সমূহৰ বাবে বিদ্যমান ২৭% সংৰক্ষিত আসন (Quota) ৰ ভিতৰত অসম অসামৰিক সেৱা কনিষ্ঠ বৰ্গ আৰু অসম আৰক্ষী সেৱা কনিষ্ঠ বৰ্গৰ নিযুক্তিৰ প্ৰতিটোতে চুতীয়া সম্প্ৰদায়ৰ বাবে ১ (এক)টা পদ সংৰক্ষণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে , যাতে এই সেৱাসমূহত তেওঁলোকৰ উপযুক্ত প্ৰতিনিধিত্ব সুনিশ্চিত হয়। ৰাজ্য চৰকাৰৰ এই সিদ্ধান্ত ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৬ ৰ উপবন্ধাৱলী অনুসৰি চুতীয়া সম্প্ৰদায়ৰ বিকাশৰ বাবে এক ইতিবাচক পদক্ষেপ আৰু সেই প্ৰেক্ষাপটত অন্যান্য পিছপৰা শ্ৰেণী (OBC) ৰ সংৰক্ষিত আসন (Quota) ৰ ভিতৰত চুতীয়া সম্প্ৰদায়ৰ বাবে এই সংৰক্ষণৰ বিষয়টো প্ৰণিধানযোগ্য।

এই কাৰ্য্যবাহী আদেশ জাৰি হোৱাৰ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ অসম লোক সেৱা আয়োগৰ দ্বাৰা পৰিচালিত হ'বলগীয়া পৰৱৰ্তী ৫ (পাঁচ)টা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা কনিষ্ঠ বৰ্গ আৰু অসম আৰক্ষী সেৱা কনিষ্ঠ বৰ্গ নিযুক্তিৰ বাবে, অন্যান্য পিছপৰা শ্ৰেণী (OBC)/অন্যান্য অতি পিছপৰা শ্ৰেণী (MOBC) সম্প্ৰদায়সমূহৰ বাবে সংৰক্ষিত পদসমূহৰ ভিতৰত চুতীয়া সম্প্ৰদায়ৰ বাবে ১ (এক) টা অসম অসামৰিক সেৱা কনিষ্ঠ বৰ্গ পদ আৰু ১ (এক) টা অসম আৰক্ষী সেৱা কনিষ্ঠ বৰ্গ পদ সংৰক্ষিত থাকিব। অৱশিষ্ট পদসমূহ কৰ্মচাৰী বিভাগৰ অ'.এম. নং- এবিপি. ৩৩৮/৮৩/১৪, তাৰিখ ০৪/০১/১৯৮৪ ৰ দ্বাৰা অধিসূচিত কৰা অন্যান্য পিছপৰা শ্ৰেণী (OBC)/অন্যান্য অতি পিছপৰা শ্ৰেণী (MOBC) সম্প্ৰদায়সমূহৰ বাবে সংৰক্ষিত হৈ থাকিব, লগতে অন্যান্য পিছপৰা শ্ৰেণী (OBC)/অন্যান্য অতি পিছপৰা শ্ৰেণী (MOBC) সম্প্ৰদায়সমূহৰ বাবে সামগ্ৰিকভাৱে ২৭% সংৰক্ষণ বাহাল থাকিব।

চুতীয়া সম্প্ৰদায়ৰ বাবে এই সংৰক্ষণ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত অসম অসামৰিক সেৱা কনিষ্ঠ বৰ্গ আৰু অসম আৰক্ষী সেৱা কনিষ্ঠ বৰ্গৰ প্ৰতিটোত অন্যান্য পিছপৰা শ্ৰেণী

(OBC)/ অন্যান্য অতি পিছপৰা শ্ৰেণী (MOBC)ৰ বাবে কমেও ৪ (চাৰি) টা অধিসূচিত খালী পদৰ চৰ্ত সাপেক্ষে হ'ব । যদি অসম অসামৰিক সেৱা কনিষ্ঠ বৰ্গ বা অসম আৰক্ষী সেৱা কনিষ্ঠ বৰ্গৰ যিকোনো এটাত ৪ (চাৰি) টাতকৈ কম খালী পদ থাকে, তেন্তে চুতীয়া সম্প্ৰদায়ৰ বাবে পাঁচটা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ সংৰক্ষণৰ চক্ৰ শেষ নোহোৱা পৰ্য্যন্ত পৰৱৰ্তী সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত সংৰক্ষণ কাৰ্য্যকৰী হ'ব।

চুতীয়া সম্প্ৰদায়ৰ কোনো ব্যক্তিক অসংৰক্ষিত খালী পদৰ বিপৰীতে নিযুক্তিৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। মেধাৰ ভিত্তিত বাছনিকৃত কিন্তু সংৰক্ষণৰ জৰিয়তে বাছনি নোহোৱা, চুতীয়া সম্প্ৰদায়ৰ ব্যক্তিসকলক চুতীয়া সম্প্ৰদায়ৰ বাবে সংৰক্ষিত আসন (Quota)ৰ ভিতৰত গণ্য কৰা নহ'ব। অৱশ্যে, যদিহে কোনো এজন চুতীয়া সম্প্ৰদায়ৰ প্ৰাৰ্থীক অন্যান্য পিছপৰা শ্ৰেণী (OBC)/অন্যান্য অতি পিছপৰা শ্ৰেণী (MOBC) সম্প্ৰদায়সমূহৰ বাবে থকা ২৭% সংৰক্ষণৰ বিপৰীতে বাছনি কৰা হয়; তেন্তে এনে প্ৰাৰ্থীক চুতীয়া সম্প্ৰদায়ৰ সংৰক্ষিত আসন (Quota)ৰ ভিতৰত গণ্য কৰা হ'ব।

কিন্তু, যোগ্য চুতীয়া সম্প্ৰদায়ৰ প্ৰাৰ্থী নথকাৰ বাবে চুতীয়া সম্প্ৰদায়ৰ বাবে সংৰক্ষিত কোনো খালী পদ পূৰণ কৰিব পৰা নাযায়, তেন্তে তেনে খালী পদসমূহ চুতীয়া সম্প্ৰদায়ৰ বাহিৰে অন্যান্য পিছপৰা শ্ৰেণী (OBC)/অন্যান্য অতি পিছপৰা শ্ৰেণী (MOBC) ৰ প্ৰাৰ্থীৰ দ্বাৰা পূৰণ কৰা হ'ব। তেনে ক্ষেত্ৰত অসম অসামৰিক সেৱা কনিষ্ঠ বৰ্গ আৰু অসম আৰক্ষী সেৱা কনিষ্ঠ বৰ্গত চুতীয়া সম্প্ৰদায়ৰ বাবে পাঁচটা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ সংৰক্ষণৰ চক্ৰ শেষ নোহোৱা পৰ্য্যন্ত পৰৱৰ্তী সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত সংৰক্ষণ কাৰ্য্যকৰী হ'ব।

এই নিৰ্দেশনাৱলী তাৎক্ষণিকভাৱে বলৱৎ হ'ব।

**এম এছ মনিভান্নান,**
আয়ুক্ত আৰু সচিব, অসম চৰকাৰ,
কৰ্মচাৰী বিভাগ, দিশপুৰ।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 155 - 10 + 10 - 23 - 02 - 2026. (visit at– dpns.assam.gov.in)